জাননী

অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ তৰফৰ পৰা ভাৰতীয় নাগৰিক আৰু অসমৰ স্থায়ী বাসিন্দাৰ অধিসূচিত ধৰ্মীয় সংখ্যালঘু (মুছলিম, খ্ৰীষ্টান, শিখ, বৌদ্ধ, জৈন আৰু পাৰ্চী) হিতাধিকাৰীৰ বাবে নিম্ন উল্লিখিত আঁচনিসমূহ ব'ৰ্ডৰ আৰ্থ-সাহায্যৰে ব্যৱস্থা কৰা হৈছে। ইচ্ছুক আবেদনকাৰীসকলে অহা ১০/১২/২০২৬ তাৰিখৰ ভিতৰত **https://amdb.assam.gov.in** (Assam Minorities Development Board) ৱেবছাইটত অনলাইনযোগে আবেদন দাখিল কৰিব পাৰিব। আবেদনকাৰীয়ে অনলাইনযোগে পূৰণ কৰা আবেদনৰ প্ৰতিলিপিৰ লগত যাৰতীয় নথি-পত্ৰ আপলোড কৰিব লাগিব। ইয়াৰ উপৰি এই নথি-পত্ৰসমূহৰ ফটোকপিসহ মূল কপি সত্যাপন (verification)ৰ সময়ত দাখিল কৰিব লাগিব। বাছনিকৃত আবেদনকাৰীসকলক পৰৱৰ্তী সময়ত সত্যাপনৰ স্থান আৰু তাৰিখ জনোৱা হ'ব। অসম্পূৰ্ণ আবেদন/প্ৰ-পত্ৰ গ্ৰহণযোগ্য নহ'ব। অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ বাছনি কমিটীৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব। হিতাধিকাৰী বাছনি নিৰ্দেশনা আৰু সম্পূৰ্ণ প্ৰক্ৰিয়া ওপৰোক্ত ৱেবছাইটত উপলব্ধ আছে।

ক্ৰ. নং.	আঁচনিৰ নাম	শিক্ষাগত অৰ্হতা	সৰ্বাধিক বাৰ্ষিক আয়	সময়সীমা	বয়স (বছৰ)
১	বি পি টি (B P T)	• উচ্চতৰ মাধ্যমিক (১০+২) বা সমতুল্য পৰীক্ষাত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান (পি.চি.বি.) বিষয়ৰ সৈতে ইংৰাজী এটা বিষয় হিচাপে থাকিব লাগিব; (i) অসংৰক্ষিত (UR): পি.চি.বি. ৫০% (ii) সংৰক্ষিত (Reserved): পি.চি.বি. ৪৫% • পি.চি.বি.ত গ্ৰেচ মাৰ্ক (Grace mark) থাকিব নালাগিব। • আবেদনকাৰীয়ে Srimanta Sankaradeva University of Health Sciences (SSUHS)ৰ অধীনত Common Entrance Exam (CEE) ২০২৬ বৰ্ষৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।	৫,০০,০০০.০০ (পাঁচ লাখ)	৫ বছৰ	১৭-২৪
২	প'ৰ্টেবল্ জলসিঞ্চন পাম্প (Portable Irrigation Pump)ৰ বিতৰণ	• আবেদনকাৰীজন খেতিৰ লগত সক্ৰিয়ভাৱে জড়িত এজন ক্ষুদ্ৰ বা প্ৰান্তীয় কৃষক, যাৰ তলৰ যিকোনো এখন নথি থাকিব লাগিব; মাটিৰ পট্টা (ম্যাদী পট্টা বা পিৰিঅ'ডিক পট্টা)/জমাবন্দী/খাজনা ৰচিদ/চিঠা, পঞ্জীভুক্ত আধিয়াৰ অভিলেখ, অথবা PM-KISAN/কিষাণ ক্ৰেডিট কাৰ্ড (KCC)/এগ্ৰিষ্টেক-অসম কৃষক পঞ্জীৰ পঞ্জীয়ন।	৩,০০,০০০.০০ (তিনি লাখ)	-	১৮ বা ঊৰ্ধ্ব

বিঃদ্ৰঃ

১) বিপিটি পাঠ্যক্ৰমৰ মুঠ খৰচৰ ৯০% চৰকাৰী অনুদান আৰু ১০% হিতাধিকাৰীয়ে বহন কৰিব লাগিব।

২) প'ৰ্টেবল্ জলসিঞ্চন পাম্প (Portable Irrigation Pump) বিতৰণৰ সম্পূৰ্ণ খৰচ চৰকাৰে বহন কৰিব।

৩) বিপিটি (BPT)ৰ হিতাধিকাৰীৰ বাছনি CEE-২০২৬ৰ মেধাভিত্তিত কৰা হ'ব আৰু কিছু আসন বিভিন্ন শ্ৰেণীৰ বাবে সংৰক্ষিত থাকিব।

৪) প'ৰ্টেবল্ জলসিঞ্চন পাম্প (Portable Irrigation Pump)ৰ ক্ষেত্ৰত মহিলা আৰু বিশেষভাৱে সক্ষম ব্যক্তিৰ বাবে কিছু আসন সংৰক্ষিত থাকিব।

যোগাযোগৰ বাবে দূৰভাষ ঃ ৭৬৩৫৯৯৮০০২

AllJobAsaam.com

স্বাক্ষৰ/- সঞ্চালিকা,
অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ড
ৰাধা গোবিন্দ বৰুৱা পথ, গণেশগুৰি, গুৱাহাটী-৬

DIPR/DF/AT/1168/24-Nov-26